**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-09-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

দেশৰ ভূমিত অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসন কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মঙলদৈৰ এখন জনসভাত আজি ঘোষণা কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসনৰ পৰা দেশৰ প্ৰতি ইঞ্চি ভূমি উদ্ধাৰ কৰা হ'ব। অনুপ্ৰৱেশকাৰীৰ পৃষ্ঠপোষকসকলক সকিয়াই দি প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে অনুপ্ৰৱেশকাৰীক ৰক্ষণাবেক্ষন দিয়া শক্তিয়ে যিমানেই চেষ্টা নকৰাক কিয়, প্ৰাণ দি হ'লেও তেওঁলোকক প্ৰতিহত কৰা হ'ব। শ্ৰীমোদীয়ে অনুপ্ৰৱেশকাৰীৰ বেদখলৰ পৰা প্ৰায় ১ লাখ বিঘা ভূমি উদ্ধাৰ কৰিবলৈ সমৰ্থ হোৱাৰ বাবে ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বৰ চৰকাৰক প্ৰশংসা কৰে।

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি. এন. এম. স্কুল আৰু এখন নাৰ্চিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। এই উদ্দেশ্যে মঙলদৈত আয়োজিত এখন জনসভাত বিৰোধী পক্ষ বিশেষকৈ কংগ্ৰেছৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী সৰৱ হৈ উঠে। ভাষণৰ আৰম্ভণিতে শ্ৰীমোদীয়ে কয়, যে মা কামাখ্যাৰ আশীৰ্বাদত অপাৰেছন সিন্দূৰ সফল হ'ল। অপাৰেছনৰ সিন্দূৰৰ পিছত এয়া তেওঁৰ প্ৰথম অসম ভ্ৰমণ বুলি উল্লেখ কৰি তেওঁ ৰাজ্যজুৰি আজি উদযাপন হবলগীয়া ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ উপলক্ষে সকলোকে শুভেচ্ছা জনায়। সুধাকণ্ঠ ভূপেন  হাজৰিকাৰ জন্ম শতবৰ্ষত তেওঁ কংগ্ৰেছক সমালোচনা কৰি কয় যে সুধাকণ্ঠক  ভাৰতৰত্ন দিয়াত কংগ্ৰেছে ঘোৰ বিৰোধিতা কৰিছিল। তেওঁ অসমৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ সন্মান আৰু সংৰক্ষণৰ লগতে ৰাজ্যখনৰ দ্ৰুত বিকাশ চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয় বুলি উল্লেখ কৰে। স্বাধীনতাৰ পিছত চীনৰ আক্ৰমণৰ সময়ত তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ মন্তব্যই অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলক আঘাত দিছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অসমৰ পূৰ্বপুৰুষৰ সপোন এতিয়া বিজেপিয়ে পূৰণ কৰিছে। তেওঁৰ বাবে জনতাই ভগৱান বুলি ঘোষণা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ ১৪০ কোটি জনতাই হৈছে তেওঁৰ শক্তি। বিকাশৰ বাবে সুচল যোগাযোগ ব্যৱস্থা অপৰিহাৰ্য  বুলি উল্লেখ কৰি তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে সেয়ে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যত যোগাযোগ ব্যৱস্থা উন্নত কৰাত গুৰুত্ব দিছে। তেওঁ কয় যে ভাৰত সম্প্ৰতি বিকাশৰ দিশত খৰটকীয়াকৈ আগবাঢ়িছে আৰু অসম হৈছে দেশৰ অন্যতম খৰটকীয়াকৈ বিকাশ হোৱা ৰাষ্ট্ৰ। জনতাৰ বাবে অধিক কাম কৰাত তেওঁ আগ্ৰহী বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে ইয়াৰ বাবে অসমবাসীৰ আশীৰ্বাদ বিচাৰে।  প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁ কেৱল বৰ্তমানৰ বাবে নহয় বৰং অহা ৪০-৫০ বছৰৰ বাবে দেশৰ আন্তঃগাথনি শক্তিশালী কৰি ৰখাত গুৰুত্ব দিছে। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত নিৰ্মাণৰ বাবে দেশৰ প্ৰতিজন নাগৰিক আগবাঢ়ি আহিছে বুলি উল্লেখ কৰি তেওঁ এই কথাত সন্তোষ প্ৰকাশ কৰে। ভাষণ প্ৰসংগত তেওঁ শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ কৰা জি এছ টিৰ ব্যাপক সংস্কাৰৰ বিষয়েও

উল্লেখ কৰে। আজি মঙলদৈ আৰু মঙলদৈৰ পৰা আধাৰশিলা স্থাপন কৰা ছহেজাৰ ৫০০ কোটি টকাৰ প্ৰকল্পই ৰাজ্যখনৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰীগৰাকীয়ে দৰং জিলাত আধাৰশিলা স্থাপন কৰা ৬ হাজাৰ ৩০০ কোটি টকাৰ তিনিটাকৈ আন্তঃগাঁথনিমূলক প্ৰকল্পই অঞ্চলটোৰ উন্নয়নৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব। ৩ বছৰৰ ভিতৰত দৰং মেডিকেল কলেজৰ কাম সম্পূৰ্ণ কৰি তোলা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বহু প্ৰত্যাশিত গুৱাহাটীৰ ৰিং ৰোড প্ৰকল্পই গুৱাহাটী মহানগৰীক দৰং আৰু মৰিগাঁও জিলাৰে সংযুক্ত কৰি সমগ্ৰ অঞ্চলটোক উন্নয়নৰ নতুন উচ্চতালৈ লৈ যাব বুলিও তেওঁ প্ৰকাশ কৰে। আজিৰ এই আধাৰশিলা অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী কেশৱ মহন্ত, জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে।

ইপিনে, প্ৰধানমন্ত্ৰীগৰাকীয়ে গোলাঘাটৰ নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কয় যে গেছ আৰু তেলৰ বিকল্প হিচাপে ইথানলৰ চাহিদা বৃদ্ধি হৈছে। প্ৰকল্পটোৰ জৰিয়তে নিয়োগৰ সুবিধা বৃদ্ধি আৰু ৰাজ্যখনত সামগ্ৰিকভাৱে আৰ্থসামাজিক বিকাশ সম্ভৱ হ'ব বুলিও তেওঁ আশা কৰে। নুমলীগড়ৰ এই অনুষ্ঠানতো মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ লগতে কেইবাগৰাকীও মন্ত্ৰী তথা বিধায়ক উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিয়লি ৪ বাজি ৪১ মিনিটত ভূমিকম্পৰ প্ৰবল জোঁকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত ৫ দশমিক ৯ প্ৰাবল্যৰ এই ভূমিকম্পৰ অভিকেন্দ্ৰ ঢেকীয়াজুলিৰ সমীপত বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ ফলত ৰাজ্যৰ বিভিন্ন জিলাত বিস্তৰ ক্ষতি হোৱা বুলি জানিব পৰা গৈছে।

০০০০০০০

বিটিচি নিৰ্বাচনৰ ভোটগ্ৰহণলৈ মাজত এসপ্তাহ বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষই বিটিআৰত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বাক্সা জিলাৰ বৰটাৰীত আজি ইউ পি পি এলৰ প্ৰাৰ্থী জয় মুছাহাৰীয়ে প্ৰচাৰ চলায়। দিহিৰা পৰিষদীয় সমষ্টিৰ  বিজেপি প্ৰাৰ্থী মানস প্ৰতিম কলিতাই আজি জিলাখনৰ মুছলপুৰত এখন প্ৰচাৰ সভাত অংশ লয়। তেওঁ সমষ্টিটোৰ সৰ্বাংগীন উন্নয়নৰ হকে বিজেপিক ভোটদান কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। অহা ১৮ ছেপ্তেম্বৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ সমৰ্থনত গাৰামদেউত প্ৰচাৰ চলাব বুলি শ্ৰী কলিতাই জানিবলৈ দিয়ে। বিজেপি প্ৰাৰ্থী জৌশ্ৰাং বড়োৱে আজি ওদালগুৰি জিলাৰ ভেৰগাঁও পৰিষদীয় সমষ্টিৰ অন্তৰ্গত বালিশিখা গাঁৱত প্ৰচাৰ অভিযানত ভাগ লয়। ইপিনে, ইউ পি পি এল দলে আজি বি টি চি নিৰ্বাচনী ইস্তাহাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। মাতৃ ভূমি, সমুদায় শিক্ষা আৰু শান্তি – বিষয়বস্তুৰে এখন সমৃদ্ধিশালী বি টি আৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতিৰে এই নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

বিটিআৰৰ আটাইকেইখন জিলাৰ প্ৰশাসনে নিৰ্বাচনত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। তামুলপুৰ জিলাৰ বৰনগৰৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত কালি বিষয়া-কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। তেওঁলোকক বেলট বক্সৰ ব্যৱহাৰ সন্দৰ্ভতো প্ৰশিক্ষণ দিয়া হয়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা সকলৰ প্ৰতিবেদনৰ ভিত্তিত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

**সমাপ্ত**